**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-JAN-2026
**Time :** 1100 HRS

***Assamese 1100 AM Bulletin***

———————————————————

সমগ্ৰ ৰাজ্যতে আজি ব্যাপক উছাহ-উদ্দীপনাৰে ভোগৰ উৎসৱ ভোগালী বিহু পালন কৰা হৈছে। উৰুকাৰ নিশা প্ৰীতি ভোজ-ভাতৰ পাছত আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি আশিস লৈছে। ইয়াৰ পাছত অসমীয়া সমাজৰ পৰম্পৰা অনুসৰি জ্যেষ্ঠজনক সেৱা কৰাৰ লগতে কণিষ্ঠজনে আশীৰ্বাদ লৈছে। ভোগালী বিহু উদযাপনৰ লগত সংগতি ৰাখি নামঘৰ আৰু সত্ৰসমূহতো নাম প্ৰসংগৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভোগালী বিহু উপলক্ষে কণীযুঁজৰ লগতে কণ-কণ ল'ৰা-ছোৱালী, মহিলা আৰু বয়োজ্যেষ্ঠ সকলৰ মাজত বিভিন্ন পৰম্পৰাগত খেল-ধেমালিৰ আয়োজন কৰা হৈছে। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে।

ইপিনে, ভোগালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যপালগৰাকীয়ে এটা বাৰ্তাত ভোগালী বিহুক অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য সম্পদ বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভোগালী বিহুক কৃষিজীৱী চহা সমাজৰ প্ৰাপ্তিৰ আনন্দৰে সমৃদ্ধ তথা অসমীয়াৰ স্পন্দন বুলি অভিহিত কৰে। তেওঁ লগতে সকলোৰে জীৱন সুখ-শান্তি আৰু প্ৰাচুৰ্যৰে ভৰি পৰাৰো কামনা কৰে।

ৰাজ্যৰ অন্য স্থানৰ লগতে সত্ৰ পীঠ মাজুলীতো আজি পুৱতি নিশা ৰাইজে মেজি জ্বলাই অগ্নি দেৱতাৰ সেৱা লয়। উজনি মাজুলীৰ চিৰাম দেৱোত্তৰ গাঁৱৰ মিছিং ৰাইজে চিৰাম দেৱোত্তৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সমজুৱাকৈ আয়োজন কৰা ভোগালী বিহুস্থলীত উৰুকাৰ নিশা ভোজ ভাত খাই আজি পুৱাতে পৰম্পৰা ৰক্ষা কৰি নীতি নিয়মৰ মাজেৰে মেজিত অগ্নি সংযোগ কৰে।

ডিব্ৰুগড় জিলাতো মাঘৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে অগ্নি দেৱতাৰ পূজা অৰ্চনা কৰা হয়। গাঁৱৰ ৰাইজে মেজিত জুই পুৱাই মাহ-প্ৰসাদ খোৱাৰ লগতে ৰাজহুৱা সেৱা গ্ৰহণ কৰে। জিলাখনৰ বিভিন্ন অঞ্চল নিশাতে ভোজভাত খোৱা হ'ল যদিও আজিও মটক জনগোষ্ঠী প্ৰধান অঞ্চলসমূহত জনগোষ্ঠীটোৰ পৰম্পৰা অনুযায়ী ৰাজহুৱা ভোজৰ আয়োজন কৰা হৈছে।

গোৱালপাৰাতো ৰাভা অধ্যুষিত অঞ্চলসমূহকে ধৰি দুধনৈ, কৃষ্ণাই, ধূপধৰা আদি সকলোতে ভোগৰ উৎসৱ উপলক্ষে আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে।

বৰাক উপত্যকাৰ তিনিওখন জিলাতো আজি মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে। বৰাকৰ বিহুৰ উৎসৱ-মুখৰ পৰিৱেশৰ সবিশেষ বৰ্ণনাৰে এয়া আমাৰ শিলচৰৰ সংবাদদাতা আঁখী দাস।

বাইট

ধুবুৰীতো ভোগালী বিহুক লৈ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে। ঠায়ে ঠায়ে মেজি জ্বলোৱাৰ লগতে শ্ৰীশ্ৰীধাম ৰাইৰায়কুটি সত্ৰ, জিনকাটা সত্ৰ আদি সত্ৰ-নামঘৰসমূহত নাম-কীৰ্তনৰ আয়োজন কৰা হৈছে।

০০০০০০

বৰপেটাত সত্ৰকেন্দ্ৰিক ব্যৱস্থাৰে আজিৰে পৰা মাঘ বিহু উদযাপন কৰা হৈছে। পৰম্পৰা অনুসৰি বৰপেটাৰ বৃহত্তৰ অঞ্চলত আজি গাঁতা ৰখা অৰ্থাৎ উৰুকা পালন কৰা হ'ব। কাইলৈ পুৱা বৰপেটা সত্ৰৰ টুপৰ চোতালত মেজি পুওৱা হ'ব।

লগতে, বৰপেটা তথা কাষৰীয়া আন সত্ৰসমূহতো আজিৰে পৰা মাঘবিহু উদযাপন কৰা হৈছে। সৰভোগৰ ঐতিহ্যমণ্ডিত গৰখীয়া গোসাঁই থান আৰু হাউলীৰ কালঝাৰৰ গোপালআতা সত্ৰতো কেইবাদিনীয়া কাৰ্যসূচীৰে মাঘবিহু পালন কৰা হৈছে। এই দিন কেইটাত মেজিত অগ্নি সংযোগ, নামপ্ৰসংগ, ধৰ্মালোচনা সভা আদি অনুষ্ঠিত হ'ব।

০০০০০০

মকৰ সংক্ৰান্তিৰ সৈতে সংগতি ৰাখি পালন কৰা চাহ জনগোষ্ঠীসকলৰ অন্যতম প্ৰধান উৎসৱ টুচু পূজাৰো আজি সামৰণি পৰিব। পুহ মাহত আৰম্ভ হোৱা বাবে এই উৎসৱক পৌষ পৰব বুলিও জনা যায়। শস্যৰ দেৱী টুচুৰ আৰাধনাৰে ডিব্ৰুগড় জিলাৰ  চাহ জনগোষ্ঠীৰ লোকসকলে আজি টুচু পূজা পালন কৰিছে।  যোৰহাট জিলাতো চেনিমৰা, সৰুচৰাই, দকলঙীয়াৰ দৰে বাগানসমূহত এই পূজাৰ উলহ-মালহেৰে আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, কোনো ক্ষেত্ৰত শিৱৰ জীয়েক, মনসাৰ ভনীয়েক, কালী, দুৰ্গা, সীতাৰ দৰে শক্তিৰ ৰূপত কল্পনা কৰা টুচু পূজাত প্ৰধানত মহিলাসকলে অংশগ্ৰহণ কৰে। অৱশ্যে পূজাৰ লগত সংগতি থকা ৰং ৰহইচত পুৰুষেও অংশগ্ৰহণ কৰিব পাৰে। এই পূজা দুভাগত, ঘৰ আৰু নদীৰ পাৰত অনুষ্ঠিত কৰা হয়। পুহ মাহৰ পৰা চাহ জনগোষ্ঠীৰ গাভৰুসকলে এক গোট হৈ টুচু মাতৃৰ অৰ্চনা কৰে। পুহৰ শেষৰ ৰাতিটোত অৰ্থাৎ আজিৰ দিনটোত গাভৰুসকলৰ লগতে ডেকাসকলেও ওৰে নিশা উজাগৰে থাকি টুচু গীত গায়। ৰাতিপুৱাৰ লগে লগে টুচু দেৱীৰ মূৰ্তি গাঁৱৰ প্ৰতিঘৰত দৰ্শন কৰাই নদীৰ ঘাটলৈ লৈ যোৱা হয়। নৈৰ ঘাটত বিভিন্ন ঠাইৰ পৰা টুচুৰ গোট খাই গীতৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। শেষত টুচু দেৱীক জলদেৱতাক সাক্ষী কৰি বিসৰ্জন দিয়া হয়।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংচ'ৰ আমৰি বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰিব। সমষ্টিটোৰ প্ৰায় ১৪ হাজাৰ মহিলাক উদ্যমিতা পুঁজিৰূপে ১০ হাজাৰকৈ টকা আগবঢ়োৱা হ'ব। বৈঠালাংচ'ৰ ছেৰদিহুন আল্লাম ক্ষেত্ৰত দিনৰ ১১ বজাত অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীত কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং তথা ডিফু লোকসভা সমষ্টিৰ সাংসদ অমৰছিং টিছোও উপস্থিত থকাৰ কথা।

০০০০০০

**সমাপ্ত**